# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-08-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ প্ৰতিখন চৰকাৰী চিকিৎসালয়ত এতিয়াৰে পৰা ১০০ শতাংশ বিনামূলীয়া ঔষধ উপলব্ধ হ'ব বুলি স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে প্ৰকাশ কৰিছে। আজি দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এখন সংবাদ মেলত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৯৯ শতাংশ চিকিৎলায়ত সম্প্ৰতি বিনামূলীয়া ঔষধ উপলব্ধ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে জনসাধাৰণে এই ঔষধ লাভ নকৰিলে ৯৮৬৪৫-৪১৪৩০ নম্বৰত হোৱাটছএপযোগে অভিযোগ দিব পাৰিব। ৰাজ্যৰ ৪ হাজাৰ ৮৭৩টা আয়ুষ্মান আৰোগ্য মন্দিৰত ৩০বিধ অত্যাৱশ্যকীয় ঔষধ মজুত ৰখা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এহেজাৰ ১৮খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১২৫ বিধ অত্যাৱশ্যকীয় ঔষধ উপলব্ধ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তদুপৰি মহকুমা জিলা আৰু সদৰ চিকিৎসা কেন্দ্ৰসমূহতো অত্যাৱশ্যকীয় ঔষধ মজুত ৰখা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সংবাদ মেলত উল্লেখ কৰে। চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত ৩৫২ বিধ অত্যাৱশ্যকীয় ঔষধ আৰু ৬৯বিধ বিশেষ ঔষধ ৰখা হ'ব। তদুপৰি চিকিৎসকসকলে জেনেৰিক ঔষধহে নিদানপত্ৰত লিখাতো নিশ্চিত কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰতিখন চিকিৎসালয়ৰ ফাৰ্মাচীৰ সন্মুখত ঔষধৰ তালিকা লগোৱা থাকিব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। আয়োগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি অহা ২২ ছেপ্তেম্বৰ সোমবাৰে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আয়োগে অহা ২ ছেপ্তেম্বৰ তাৰিখে মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰিছে। ৪ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ৬ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৬ ছেপ্তেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২৯ আগষ্টত ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে সেইদিনা দিনৰ ১১ বজাত পঞ্চায়ত সন্মিলনৰ পূৰ্বে অসম ৰাজভৱনৰ নতুন গৃহ উন্মোচন কৰিব। শ্ৰীশ্বাহে গুৱাহাটীৰ খানাপাৰাৰ খেলপথাৰত পঞ্চায়ত প্ৰতিনিধি সন্মিলনত অংশ লৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব বুলি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে ঘোষণা কৰিছে। আজি দলৰ ৰাজ্যিক কাৰ্যালয়ত আয়োজিত সংবাদ মেলত শ্ৰীদাসে কয় যে এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত

জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থকাৰ কথা।

০০০০০

বি টি আৰ চৰকাৰে বিটিচিৰ ১৪ খন প্ৰাথমিক বিদ্যালয়ত কোচ ৰাজবংশী ভাষাত পাঠদানৰ স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ অংশ হিচাপে কোকৰাঝাৰ জিলাৰ ৯ খন আৰু চিৰাঙৰ ৫ খন বিদ্যালয়ত আজি প্ৰথমবাৰৰ বাবে কোচ ৰাজবংশী ভাষাত পাঠদানৰ মাধ্যম হিচাপে মুকলি কৰা হয়।

০০০০০

বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰয়ে মুখ্যমন্ত্ৰীৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ ৩১ আগষ্টৰ বৰাক উপত্যকা ভ্ৰমণৰ পূৰ্বে আজি শিলচৰত উন্নয়নমূলক কাম-কাজৰ বুজ লয়। জিলা উপায়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে এলিভেটেড কৰিড'ৰ, মধুৰাঘাট দলং আৰু শিলচৰ-হাইলাকাণ্ডি চাৰিলেনযুক্ত পথ প্ৰকল্পৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰে। তেওঁ কয়, যে এলিভেটেড কৰিড'ৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে যান-জটৰ সমস্যা হ্ৰাস পাব। তেওঁ লগতে মধুৰাঘাট দলঙক অৰ্থনৈতিক দলং বুলি অভিহিত কৰে। বৈঠকত ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ, বিধায়ক দিপায়ন চক্ৰৱৰ্তী, মিহিৰকান্তি সোম, খলীলুদ্দিন মজুমদাৰ আৰু জিলা উপায়ুক্ত মৃদুল যাদৱ উপস্থিত থাকে।

০০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই সৈনিকসকলক অনুশাসন, সংযম আৰু স্বদেশ প্ৰেমৰ জীৱন্ত নিদৰ্শন বুলি অভিহিত কৰিছে। তেওঁ লগতে যুৱ সমাজে তেওঁলোকৰ পৰা অনুপ্ৰেৰণা লোৱা উচিত বুলি মন্তব্য কৰিছে। অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত সৈনিক কল্যান সঞ্চালকালয়ৰ দ্বাৰা আয়োজিত **ৰিষ্টা সৈনিক চে** শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে ৰাষ্ট্ৰীয় কৃতজ্ঞতা তথা সজাগতা যোজনাৰ জৰিয়তে ৰাজভৱনে ২৬৫ খন বিদ্যালয় আৰু মহাবিদ্যালয়ক সৈনিকসকলৰ অভিজ্ঞতাৰ সৈতে পৰিচয় কৰাই দিছে। এই প্ৰচেষ্টাৰ জৰিয়তে নতুন প্ৰজন্মই ত্যাগ আৰু স্বদেশ প্ৰেমৰ আদৰ্শৰাজিৰ বিষয়ে অনুধাৱন কৰিব পাৰিছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ